ৰমাজান অহাৰ লগে লগে জান্নাতৰ দুৱাৰসমূহ খুলি দিয়া হয়, আৰু জাহান্নামৰ দুৱাৰসমূহ বন্ধ কৰি দিয়া হয়, আৰু চয়তানবোৰক শিকলিবদ্ধ কৰা হয়।

আবু হুৰাইৰাহ ৰাদ্বিয়াল্লাহু আনহুৰ পৰা বৰ্ণিত, ৰাছুলুল্লাহ চাল্লাল্লাহু আলাইহি অছাল্লামে কৈছেঃ "ৰমাজান অহাৰ লগে লগে জান্নাতৰ দুৱাৰসমূহ খুলি দিয়া হয়, আৰু জাহান্নামৰ দুৱাৰসমূহ বন্ধ কৰি দিয়া হয়, আৰু চয়তানবোৰক শিকলিবদ্ধ কৰা হয়।"
[ছহীহ] [(মুত্তাফাক আলাইহ {বুখাৰী মুছলিম})]

নবী চাল্লাল্লাহু আলাইহি অছাল্লামে হাদীছটোত জনাইছে যে, ৰমাজান মাহ আৰম্ভ হোৱাৰ লগে লগে তিনিটা বিষয় সংঘটিত হয়। প্ৰথমঃ জান্নাতৰ দুৱাৰসমূহ খুলি দিয়া হয়, কোনো দুৱাৰেই বন্ধ নাথাকে। দ্বিতীয়ঃ জাহান্নামৰ দুৱাৰসমূহ বন্ধ কৰি দিয়া হয়, কোনো দুৱাৰেই খোলা নাথাকে। তৃতীয়ঃ চয়তান আৰু স্বৈৰাচাৰী জিনবোৰক শিকলিৰে বান্ধি থোৱা হয়। সিহঁতক এৰি দিয়া নহয়, যিদৰে ৰমাজানৰ বাহিৰত সিহঁতক এৰি থৈ দিয়া হয়। এইবোৰ সংঘটিত হয় কেৱল এই মাহৰ সন্মানৰ কাৰণে। লগতে আমলকাৰীসকলক উৎসাহিত কৰাৰ কাৰণে। যাতে বেছি বেছি নেক কাম কৰিব পাৰে, নামাজ, চাদাক্বাহ, জিকৰ-আজকাৰ আৰু কোৰআন তিলাৱত আদি কৰিব পাৰে। এইদৰে গুনাহ আৰু পাপকৰ্মৰ পৰা বিৰত থাকিব পাৰে।

http://www.sunnah.global/hadeeth/as/show/10107